ৰামচৰণ ঠাকুৰে এই সিচঁৰতি হৈ থকা খণ্ডবোৰ একগোট কৰি তেওঁক শোধাইহি। ১৮৭৬ চনত হৰিবিলাস আগৰৱালাই *কীর্তন-ঘোষা আৰু নামঘোষাৰ* প্ৰথম মুদ্ৰিত সংস্কৰণ প্ৰকাশ কৰাৰ পিছৰ পৰা এতিয়ালৈকে প্ৰায় 12 /14 টি সংকলন ৰূপ প্ৰকাশ হৈছে। আহকচোন, আমি *কীর্তনৰ* আলোচনাৰ মাজলৈ আগবাঢ়ো।

৩.৩ *কীর্তনৰ* সাধাৰণ পৰিচয়

কীর্তনখন ২৭ টা খণ্ডৰ সমষ্টি। একোটি খণ্ডত দুইৰ পৰা কুৰিটা মানলৈকে কীর্তন আছে। *কীর্তনত* সন্নিৰিষ্ট হোৱা বিভিন্ন খণ্ডসমূহ যথাক্ৰমে — চতুৰিংশতি অৱতাৰ বৰ্ণনা, নাম অপৰাধ, পাষণ্ড-মৰ্দ্দন, ধ্যান বৰ্ণন, অজামিল উপাখ্যান, প্ৰহ্লাদ চৰিত, গজেন্দোপাখ্যান, হৰমোহন, বলিদলন, শিশু লীলা, ৰাসক্ৰীড়া, কংসবধ, গোপী উদ্ধৰ সংবাদ, কুব্জীবাঞ্ছাপূৰণ, জৰাসন্ধ যুদ্ধ, কালযৱনবধ, মুচুকুন্দ স্তুতি, স্যমন্তক হৰণ, নাৰদৰ কৃষ্ণদৰ্শন, বিপ্ৰপুত্ৰ আনয়ন, দামোদৰ বিপ্ৰাখ্যান, দৈৱকীৰ পুত্ৰ আনয়ন, বেদস্তুতি, লীলামালা, শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ, ভাগৱত তাৎপৰ্য আৰু উৰেষা বৰ্ণনা। অৱশ্যে, বিভিন্ন সম্পাদিত পুথিৰ এই ক্ৰমৰ শেষৰ ফালে সামান্য সালসলনি হোৱা দেখা যায়।

এই ২৭ টা খণ্ডৰ ভিতৰত 'উৰেষা বৰ্ণনা' *ব্ৰহ্মপুৰাণৰ* পৰা, 'নাম অপৰাধ' খণ্ডটি *পদ্মপুৰাণৰ* পৰা আৰু 'পাষণ্ড মৰ্দন' খণ্ডটি কেইবাখনো সংস্কৃত শাস্ত্ৰৰ শ্লোকৰ অৰ্থ সন্নিৱেশ কৰি ৰচনা কৰিছে। বাকীবোৰ খণ্ডৰ বিষয়বস্তু *ভাগৱত* পু�ৰাণৰ পৰা গৃহীত। *কীর্তনৰ* বিভিন্ন খণ্ডৰ বিষয়বস্তুৰ আধাৰ মূলতঃ সংস্কৃত গ্ৰন্থ হ'লেও শংকৰদেৱে নিজৰ মতাদৰ্শ অনুসৰি আখ্যানবোৰত কিছু উপদেশমূলক তত্ত্বকথা জুৰি দিছে। আনহাতে স্ত্ৰী-শূদ্ৰ আদি সৱল জনসাধাৰণৰ উপযোগী হোৱাকৈ মাজে মাজে সংক্ষিপ্ত কৰিছে আৰু জটিল কথাংশক সৰ্বজনে বুজিব পৰাকৈ সৱল কৰিছে। *কীর্তনৰ* ভাষাও অতিকৈ সৱল আৰু জতুৱা ৰূপৰ। ভগৱন্তৰ কথা প্ৰকাশ কৰিবলৈও জনসাধাৰণৰ মুখৰ ভাষাকে বিষয়বস্তু অনুসৰি বিভিন্ন ছন্দত, অতি মনোৰম আৰু প্ৰাণময় ৰূপত প্ৰয়োগ কৰা হৈছে। শোক, ক্ৰোধ, ভক্তি, হাস্য, কাম আদি বিভিন্ন ভাব অনুসৰি ভাষাৰ যথার্থ ৰূপৰ প্ৰয়োগে আৰু জনজীৱনৰ সাধাৰণ অভিজ্ঞতাৰ আধাৰত কৃষ্ণলীলাৰ বিভিন্ন লৌকিক-অলৌকিক কাহিনীক সূক্ষ্মৰূপত প্ৰকাশ কৰিব পৰা ভাষাৰ সঠিক সন্ধানে *কীর্তনখনিক* ডেকা-বুঢ়া, মুনিহ-তিৰোতা সকলোৰে প্ৰাণৰ সম্পদ কৰি তুলিছে। লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ ভাষাত— "ভাষাৰ লালিত্য, ছন্দৰ ঝংকাৰ, সুৰৰ লাৱণ্য, ভাৱৰ মাধুৰ্য, ভক্তিৰ দৃঢ়তা, চিন্তাৰ উচ্চতা আদিৰ সমষ্টিৰে শংকৰদেৱেৰ *কীর্তন* ৰচিত।"

কীর্তন প্ৰধানকৈ আখ্যান প্ৰধান গ্ৰন্থ। প্ৰতিটো আখ্যানৰে মূল বিষয়বস্তু হ'ল— ভগৱন্তক সাকাৰ ৰূপৰ বিভিন্ন লীলা। এই সাকাৰ ৰূপ কৃষ্ণৰ জন্মৰ পৰা বাল্যলীলা, বৃন্দাবন লীলা, মথুৰালীলা আৰু বৈকুণ্ঠ প্ৰয়াণলৈ বিভিন্ন লীলাৰ মাজতে উদ্ভাসিত হৈ উঠিছে। কৃষ্ণৰ ভক্ত বৎসলতা গুণ, দুষ্টক দমন আৰু শান্তক পালনৰ নীতি, ইয়াৰ লগতে প্ৰহ্লাদ, বিপ্ৰ দামোদৰ, গজেন্দ্ৰ, অজামিল, উদ্ধৰ আদি ভক্ত চৰিত্ৰৰ মাজেদি ভক্ত আৰু ভক্তিৰ স্বৰূপ আৰু মাহাত্ম্য প্ৰকাশ পাইছে।

জগতৰ অনিত্যতাক মেঘৰ ছায়া, বিজুলীৰ সঞ্চাৰ আৰু পদুম পাতৰ পানীৰ লগত তুলনা কৰিছে —

যত সূত ধনজন সবে বিষ্ণুমায়া।
আকাশ প্রকাশে মেঘৰ যেন ছায়া।। (গজেন্দ্র উপাখ্যান)

এই মায়াময় সংসাৰৰ আসক্তিৰ পৰা উদ্ধাৰৰ পথ হ'ল পৰমেশ্বৰৰ চৰণত কায়-বাক্য মনে শৰণ গ্রহণ —

জ্ঞান পথ এড়ি প্রভু তোক্ষাৰ কথাক।
কায় বাক্য মনে সেৱৈ যিতো মাধুবাক।।
জদ্যাপি অজিত তুমি তিনিও জগতে।
তথাপি তোমাক জিনৈ সেহিসে ভকতে।। (শিশুলীলা)

শ্রৱণ-কীর্তন ভক্তিৰ লগতে সমস্তে জীৱত ভগৱৎ দর্শনো অন্যতম প্রধান দিশ—

বিষ্ণুময় দেখে যিটো সমস্তে জগতে।
জীৱন্তে মুকুত হোৱে অচিৰ কালতে। (কৃষ্ণৰ বৈকুণ্ঠ প্রয়াণ)

শংকৰদেৱৰ দর্শনত অদ্বৈতবাদৰ লগত ভক্তিবাদৰ অপূর্ব সংমিশ্রণ হৈছে। *কীর্তন* পুথিৰ বিভিন্ন ঠাইত কাহিনীৰ অৱসৰত এনে চিন্তাৰ ৰেঙনি দেখিবলৈ পাওঁ —

তোমাৰ অদ্বৈত ৰূপ পৰম আনন্দ পদ
তাতে যোৰ মগ্ন হৌক চিত্ত।
ভৈলোহো দাসৰো দাস জানি আবে নৰহৰি
আমাক নেৰিবা কদাচিত।।

অদ্বৈত ব্রহ্ম— 'নোহে তর্ক গোচৰ,' 'নপাৱৈ বচনে মনে ওচৰ', 'নাহি উতপতি', 'নাহি মৰণ'— তথাপি কিন্তু সেই ব্রহ্মক কৃষ্ণ ৰূপত ব্রজবাসীয়ে নিতে সেৱা কৰিবলৈ পাইছে। যশোদাই পুত্রজ্ঞান কৰা কৃষ্ণৰ মুখৰ ভিতৰতে বিশ্ব ব্রহ্মাণ্ডই অৱস্থান কৰিছে। *কীর্তনৰ* কাহিনীৰ মাজত চৰিত্রবোৰৰ আত্মসমর্পণ বা ভক্তিৰ মহিমাই দেখুৱাই যে ব্রহ্মপদ লাভ কৰা বা স্বর্গ লাভ কৰা বা মুক্তি লাভ কৰাতকৈ বৃন্দাবনত তৃণ হৈ ব্রজবাসীৰ চৰণ ৰেণু পোৱাহে ডাঙৰ কথা।

মোক্ষতো অভিলাস নাহি হৰি।
তোম্বাৰ চৰণ ৰেণুক এৰি।। (শিশু লীলা)

ভক্তিতত্ত্ব প্রকাশৰ সমান্তৰালকৈ সাহিত্য হিচাপেও *কীর্তনৰ* সৌন্দর্য জাজ্বল্যমান হৈ আছে উপমা-ৰূপক আদি অর্থালংকাৰ, অনুপ্রাস-যমক আদি শব্দলংকাৰত; বিষয়বস্তুৰ সূক্ষ্ম অথচ সৰল উপস্থাপনত আৰু সর্বতোপৰি কাহিনীৰ লৌকিক-অলৌকিকতাৰ অপূর্ব জগতখনৰ দক্ষ চিত্রায়নত। এই দুয়োটা দিশৰ লগতে *কীর্তনৰ* মাজত এক গভীৰ মানৱীয়তা, সংস্কাৰ চেতনা তথা সামাজিক দায়বদ্ধতাৰ দৃঢ় আৰু অন্তস্পর্শী প্রকাশ আছে। অসামাজিক অনৈতিক কার্যক 'পাপ' বুলি দেখুৱাই *কীর্তনৰ* অধ্যায়সমূহে সৰল জনগণক এটা নৈতিক চেতনাৰে উদ্বুদ্ধ কৰিছিল। *কীর্তনৰ* প্রতিটো আখ্যানৰ কাহিনীৰ আঁৰত এক সংস্কাৰমুখী চেতনা প্রৱলভাৱে অনুভৱ হয়।

মহাত্রাসে কম্পে দেখি দানৱ সমাজ।।
তপ্ত সুৱর্ণৰ বর্ণ জ্বলে চক্ষু দুই।
পর্ব্বত সমান কায়া আছে স্বর্গ ছুই।।
শৰীৰ লোম চন্দ্রসম শুক্লবর্ণ।
তুলি আছে উর্দ্ধক স্তৱক দুই কর্ণ।। (প্রহ্লাদ চৰিত)

কীর্তনৰ প্রহ্লাদ চৰিত, স্যমন্তক হৱণ, কংসবধ, জৰাসন্ধ যুদ্ধ আদিত বীৰ ৰসে প্রাধান্য পাইছে—

দুয়ো হুয়া মহাক্রুদ্ধ।
লগাইলেক ঘোৰ যুদ্ধ।।
দুয়ো মাতঙ্গৰ লীলা।
বৰিষে পর্ব্বত শিলা।। (স্যমন্তক হৱণ)

কীর্তনৰ কেইবা ঠাইতো ৰৌদ্র ৰসো পোৱা যায়—

ধৰি ভৰি ছন্দে।।
দুইকো দুই নাহি তুষ্টি।
হানৈ বজ্রসম মুষ্টি।।
মাংসৰ কাৱণে যেন।
যুজন্ত দুগোটা যেন।। (স্যমন্তক হৱণ)

কিছুমান বর্ণনাত ভয়ানক ৰসৰো উদ্রেক হৈছে —

পর্ব্বত সমান কলেৱৰ।
বাইল বেন্ত সমেক গহ্বৰ।।
তল ওঁঠ মাটিত পাতিল।
উর্দ্ধ ওঁঠ মেঘত লাগিল।।
জিহ্বাখান যেন ৰাজআলি।
বৎস লৈয়া আইলা বনমালী।।

প্রচণ্ড ভূমিকম্পৰ পিছত প্রকৃতিয়ে শান্ত ৰূপ ধাৰণ কৰাৰ দৰে নৰসিংহৰ ভয়ংকৰ ৰৌদ্র ৰূপৰ পাছত প্রহ্লাদৰ স্তুতিত শান্ত ৰসৰ সুন্দৰ অৱতাৰণা—

তুমি জগজীৱ তোমাক পুজিলে
মিলৈ আপোনত যাই।
যেন মুখ শ্রীক প্রতিবিম্ব মুখে
দেখয় দর্পণ চাই।।
হেন জানি মই মতি অনুসাৰে
ভজিলো তোক্ষ্মাৰ পাৱ।

উপমা ঃ উৰুস্থলে লক্ষ্মী দিলন্ত দেখা।
কষটিক যেন সোনাৰ ৰেখা।। (ধ্যান বর্ণন)

ৰূপক ঃ কংসৰ পাঞ্চনি পাই যত দৈত্য আসে।
তুমি অগণিত যেন পুৰি মৰে জাসে।।

অনুপ্রাস ঃ শেৱালি নেৱালি পলাশ পাৰলি
পাৰিজাত যুই জাই।
বকুল বুন্দুলী আছে ফুলি ফুলি
তাৰো সীমা সংখ্যা নাই।। (হৰমোহন)

বক্রোক্তি ঃ সন্ধ্যাত তোমাৰ মুখ দেখি এৰাও ক্লেশ।
কিনো মন্দ ব্রহ্ম তাৰো স্রজিলা নিযেশ।। (কংস বধ)

অন্তানুপ্রাস ঃ হেন শুনি জাম্বৱন্ত।
ধাইলা মহা বলৱন্ত।
নিচিনি স্বামীকপাচে।
ধৰিলন্ত যুদ্ধ কাছে।। (স্যমন্তক হৰণ)

ইয়াৰ উপৰি *কীর্তনত* শ্লেষ, পূর্ণোপমা, উপমেয়োপমা, ভ্রান্তিমান, উৎপ্রেক্ষা, নিদর্শনা, অতিশয়োক্তি, সমাসোক্তি, অর্থান্তৰ ন্যাস, বিৰোধ, ব্যতিৰেক, বিশেষোক্তি, স্বভাৱোক্তি, সাৰ, বিষয়, পর্যায়, প্রতীপ আদি অলংকাৰৰ পয়োভৰ দেখা যায়। এই অলংকাৰসমূহৰ প্রয়োগে *কীর্তনৰ* কাহিনীকথনৰ আঙ্গিকক বিশেষভাৱে সমৃদ্ধ কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ *কীর্তনৰ* আটাইবোৰ ৰসৰ পৰিণতি কি?

.....

প্রশ্ন নং ৫ ঃ *কীর্তনত* প্রয়োগ হোৱা কেইটামান অলংকাৰৰ নাম লিখক।

.....

৩.৩.২ কাব্যিক সৌন্দর্য

কীর্তনৰ কাব্য সৌন্দর্য বৃদ্ধিত আটাইতকৈ বেছি অৰিহণা যোগাইছে পুথিখনৰ ৰস, ছন্দ আৰু আলংকাৰিক বৈচিত্র্যই। আগৰ উপশাখাটোত সেই বিষয়ে আলোচনা কৰা হৈছে। সংস্কৃত শাস্ত্র মতে 'কীর্তন'ৰ অর্থ 'স্তুতি কৰা' আৰু এই অর্থতেই ই গাবৰ বাবে ৰচিত। গতিকে ছন্দৰ লগে লগে পুথিখন পঢ়ি গ'লে এটি সাংগীতিক মূর্ছনাও অনুভূত হয়। ইয়াৰ গায়ন শৈলীও কাব্য সৌন্দর্যৰ ভিতৰুৱা বিষয়। *কীর্তনৰ* সুৰত কিছু পৰিমাণে

প্রকৃতি চিত্রখনে পুথিখনত সোণত সুৱগা চৰাইছে।

*কীর্তন*ত প্রকাশ পোৱা সামাজিক চিত্রসমূহে পুথিখন সাধাৰণ মানুহৰ ওচৰ চপোৱাত সহায় কৰাৰ লগতে পুথিখনো সর্বাংগ সুন্দৰ কৰি তুলিছে। 'শিশুলীলা'ত কৃষ্ণই আঠুকাঢ়ি ঘূৰি ফুৰা, দুষ্টালি কৰা, গৰু চৰাবলৈ নিয়া; 'দামোদৰ বিপ্র আখ্যান'ত কৃষ্ণ গুৰুগৃহত থাকোঁতে খৰি লুৰা আদি ছৰিবোৰ আমাৰ অতিকৈ আপোন। ঠিক সেইদৰে 'স্যমন্তক হৰণ'ত জাম্বৱন্ত ধাইয়ে গাঁতৰ ভিতৰত ভালুকৰ পোৱালি নিচুকুৱা, 'নাৱদৰ কৃষ্ণ দর্শন'ত সন্ধ্যা উপাসনা কৰা, কৃষ্ণই কোনো ঠাইত ৰমণীক সাক্ষাত কৰা, কোনো স্থানত জলক্রীড়া, লক্ষ্মীৰ লগত হাই-কাজিয়া আদি ছৰিবোৰে পুথিখনক আমাৰ আপোন কৰাৰ লগতে বর্ণিল কৰি তুলিছে। পুথিখনত উল্লেখ থকা নৃত্যগীত, উৎসৱ-অনুষ্ঠান, গৃহ নির্মাণ, ৰন্ধা-বঢ়া, আশিষ আতিথ্য, অয়-অলংকাৰ, সাজ-পোছাক আদি ঘৰুৱা বর্ণনাবোৰেও পুথিখনক এক অন্য যাত্রা প্রদান কৰিছে।

ধর্মীয় দিশৰ কথা বাদ দিও সাহিত্যিক দৃষ্টিকোণৰ পৰা *কীর্তন* অনন্য আৰু সমগ্র বৈষ্ণৱ সাহিত্যৰ ভিতৰতে অদ্বিতীয়। নিশ্চয় *কীর্তন*ৰ ৰচনাৰ অন্তৰালত গুৰুজনাৰ শিল্প সৃষ্টিৰ বাসনাও জড়িত আছিল। সুনির্দ্দিষ্ট আখ্যানসমূহৰ দৰে *কীর্তন*ৰ বর্ণনাৰীতি আৰু শব্দ চয়নো অন্যতম। দৰাচলতে সহজ-সৰল জনসাধাৰণক ভক্তি ৰস পান কৰাবলৈ গুৰুজনাই গ্রন্থখন ৰচনা কৰিছিল আৰু সেয়েহে তেওঁ পুথিখনৰ শব্দচয়নৰ দিশটোত যথেষ্ট গুৰুত্ব দিছিল। সহজ সৰল শব্দ প্রয়োগৰ যোগেদি পুথিখন সকলো স্তৰৰ পাঠকৰ বাবেই উপভোগ্য হৈ উঠিছে। অৱশ্যে এইক্ষেত্রত তেওঁ বিষয়বস্তুৰ গাঢ়ত্ব আৰু লঘূত্বৰ ওপৰতো গুৰুত্ব দিছিল যাৰ বাবে পুথিখনৰ আখ্যানসমূহে একোটা স্বাভাৱিক গতি লাভ কৰিছে। কিছু ক্ষেত্রত *কীর্তন* নাট্যধর্মীও। 'শিশুলীলাৰ' দধিমথন, অর্জুন ভঞ্জন, বনাগ্নিপান, ব্রহ্মমোহন, যশোদাৰ বিশ্বৰূপ দর্শন আৰু বিভিন্ন আখ্যানৰ যুদ্ধৰ বর্ণনাবোৰত নাট্যধর্মী গুণ পোৱা যায়।

আলোচনাৰ পৰা দেখা গ'ল নৱৰসৰ সঞ্চাৰ, ছন্দৰ ঝংকাৰ, অলংকাৰৰ বৈভৱ, সুৰৰ মাধুর্যতা, প্রকৃতিৰ নৈসর্গিক ৰূপ উপস্থাপন, ভাবৰ মাধুর্য, ভাষাৰ গতিশীলতা আদি দিশসমূহে *কীর্তন*ৰ কাব্যিক আৱেদন বৃদ্ধি কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ *কীর্তন*ৰ বর্ণনাৰীতি আৰু শব্দ চয়ন সম্পর্কে চমুকৈ লিখক। (৭০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

মৰিবাৰ বেলা ইটো অজামিল
নাৰায়ণ নাম লৈন।
কোটি জনমৰ মত মহাপাপ
আৰো প্ৰায়চিত্ত ভৈল।।

কোনোৱে যদি বিহ বুলি ভাবি অমৃত পান কৰে তেনেহ'লে অমৃতৰ ফলহে ভোগ কৰিব। সেয়েহে অজামিলেও 'নাৰায়ণ' নাম উচ্চাৰণ কৰাৰ লগে লগেই হৰিনামৰ মাহাত্ম্যত সকলো দুখৰ পৰা পৰিত্রাণ পাইছে। জগতৰ সকলো মহাপাপীৰ ক্ষেত্রতে এই কথা প্রযোজ্য- —

সংসাৰৰ যত আনো অসংখ্যাত
আছে মহাপাপীগণ।
সৰাৰো এহিসে মুখ্য প্রায়চিত
হৰিৰ নাম কীৰ্ত্তন।।

হৰিনাম কীৰ্তনৰ বাহিৰে অন্য কোনো উপায়েৰে মহাপাপৰ পৰা উদ্ধাৰ পাব নোৱাৰি। হৰিনামে চিত্তৰ সোধন কৰি পাপ সমুলঞ্চে নাইকিয়া কৰে —

চিত্তৰ শোধনে পৰিৰ কীৰ্ত্তনে
পাপৰ আলু উভঞ্জে।

অকল মহাপাপীসকলেই নহয়; মানুহ যেতিয়াই দুখ-যন্ত্রণাত পৰে তেতিয়াই হৰিনাম স্মৰণ কৰি তাৰ পৰা উদ্ধাৰ পাব পাৰে—

পৰে বা পিছলে সর্পে বা দংশয়
জ্বৰে তাপে পীড়া কৰে।
এতেকতে যদি হৰি নাম লৰে
যম যাতনাকো তৰে।।

প্রচণ্ড অগ্নিয়ে শুকান কাঠক অনায়াসে দহন কৰাৰ দৰে জানিয়েই হওক বা অজানিতেই হওক হৰিনাম স্মৰণ কৰাৰ লগে লগে সমস্ত পাপৰ প্রায়চিত্ত হয় —

যেন হুতাশতে শুখান কাষ্ঠক
অতি অপ্রয়াসে পোলে।
প্রমাদত থাকি যিটো হৰি বোলে
সিও সৱ দুঃখ তৰে।।

মানুহ যেতিয়ালৈকে বিবেকৰদ্বাৰা পৰিচালিত হয় তেতিয়ালৈকে মানুহে নিজ কৰণীয়খিনি বিচাৰ কৰিব পাৰে কিন্তু যেতিয়াই লোভ-মোহ, কাম-ক্রোধৰ বশৰর্তী হৈ পৰে তেতিয়া মানুহে ভাল-বেয়া, শুদ্ধ-অশুদ্ধ বিচাৰ কৰিব নোৱৰা হৈ পৰে। অজামিলো পূর্বতে নিজ বিবেকৰ দ্বাৰা পৰিচালিত এজন সদাচাৰী ব্রাহ্মণেই আছিল; কিন্তু পিছলৈ তেওঁৰ বিবেকৰ পতন ঘটি পাপ কার্যত লিপ্ত হ'ল। ভাৰতীয় দর্শনৰ কর্মফলবাদ আমি



অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ মানুহ যেতিয়াই দুখ-যন্ত্ৰণাত পৰে তেতিয়াই হৰিনাম স্মৰণ কৰি তাৰ পৰা উদ্ধাৰ পাব পাৰে— শুদ্ধ নে অশুদ্ধ?

.....



৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- শংকৰদেৱৰ *কীর্তন* এখন নাম প্ৰসংগমূলক গ্ৰন্থ আৰু গ্ৰন্থখন বৈষ্ণৱ ধৰ্মৰ চাৰিপুথিৰ ভিতৰত অন্যতম। এই অধ্যায়টিত গ্ৰন্থখনৰ পৰিচয় দাঙি ধৰাৰ লগতে 'অজামিল উপাখ্যান' খণ্ডটিৰ আধ্যাত্মিক তত্ব সম্পৰ্কেও আলোচনা দাঙি ধৰা হ'ল। মন কৰিবলগীয়া যে গ্ৰন্থখনৰ সমল প্ৰধানকৈ *শ্ৰীমদ্ভাগৱত* পুৰাণৰ পৰা লোৱা হৈছে।
- *কীর্তন*ৰ বিভিন্ন খণ্ডসমূহৰ জৰিয়তে নৱবিধ ভক্তিৰ ভিতৰত শ্ৰৱণ-কীর্তনেই যে উৎকৃষ্ট সেই কথা আমি জানিব পাৰিছোঁ।
- *কীর্তনত* ফুঁটি উঠা ৰস, ছন্দ আৰু অলংকাৰ প্ৰয়োগৰ জৰিয়তে আমি শংকৰদেৱৰ কাব্যিক প্ৰতিভা সম্পৰ্কে জানিব পাৰিলোঁ।
- 'অজামিল উপাখ্যান' খণ্ডটোৰ জৰিয়তে আমি নাম ধৰ্মৰ মাহাত্ম্য জনাৰ লগতে ভাৰতীয় দৰ্শনৰ কেইবাটাও দিশ সম্পৰ্কে অৱগত হ'লো।



৩.৬ অধিক জানিবলৈ

১) গোঁহাই, হীৰেন (1991); *কীর্ত্তন পুথিৰ ৰসবিচাৰ;* গুৱাহাটী ঃ লয়ার্চ বুক ষ্টল।

২) চলিহা, ভৱপ্ৰসাদ (সম্পা.) (২০১১); *শংকৰী সংস্কৃতিৰ অধ্যয়ন;* নগাঁও ঃ শ্ৰীমন্ত শংকৰদেৱ সংঘ।

৩) দাস, নাৰায়ন (১৯৮৯); *শংকৰী সাহিত্যৰ ভূমিকা;* গুৱাহাটী।

৪) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৫) নেওগ, মহেশ্বৰ (সম্পা.) (১৯৯৭); *কীর্তন-ঘোষা আৰু নামঘোষা,* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।



৩.৮ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

ক) বৈষ্ণৱধৰ্মৰ চাৰি পুথিৰ অন্তৰ্গত শংকৰদেৱৰ এখন গ্ৰন্থৰ নাম উল্লেখ কৰক।

খ) *কীৰ্তনৰ* আধাৰ গ্ৰন্থ কি?

গ) *কীৰ্তনৰ* খণ্ডসমূহ কোনে একগোট কৰিছিল?

ঘ) *কীৰ্তনৰ* দুটা খণ্ডৰ নাম উল্লেখ কৰক?

ঙ) নৱবিধ ভক্তিৰ ভিতৰত কাক শ্ৰেষ্ঠ বুলি *কীৰ্তনত* কোৱা হৈছে?

চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ *কীৰ্তনৰ* বিষয়বস্তুৰ পৰিচয় দাঙি ধৰক।

প্ৰশ্ন ২ ঃ *কীৰ্তনৰ* কাব্যিক সৌন্দৰ্য সম্পৰ্কে আলোচনা কৰক?

প্ৰশ্ন ৩ ঃ *কীৰ্তনৰ* ৰস সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৪ ঃ একেশ্ৱৰবাদী ভক্তিৰ শ্ৰেষ্ঠত্ব আৰু মহিমা *কীৰ্তনত* কিদৰে ঘোষিত হৈছে, আলোচনা কৰক।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ *কীৰ্তনৰ* আধাৰত শংকৰদেৱৰ কাব্যিক প্ৰতিভা সম্পৰ্কে আলোচনা আগবঢ়াওক।

প্ৰশ্ন ২ ঃ *কীৰ্তনত* প্ৰকাশিত দাৰ্শনিক তত্ত্বসমূহৰ এক আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৩ ঃ 'অজামিল উপাখ্যান'ৰ আধ্যাত্মিক তত্ত্বসমূহ বিশ্লেষণ কৰক।

*** ***** ***